## আৰক্ষী দায়বদ্ধতা আয়োগৰ তদন্ত সম্পৰ্কীয় ক্ষমতা ঃ-

- আয়োগে তদন্তৰ ক্ষেত্ৰত নিম্নলিখিত বিষয়সমূহত Civil Procedure Code এ দেৱানী আদালতক প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰিব পাৰিব।

(ক) সাক্ষীসকলক চমন কৰা আৰু তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰা।

(খ) যিকোনো নথি বা দলিল আয়োগক দাখিল কৰিবলৈ নিৰ্দেশ দিয়া।

(গ) শপতনামাযোগে (Affidavit) সাক্ষ্য গ্ৰহণ কৰা।

(ঘ) কাৰ্যালয়ৰ পৰা নথি বা প্ৰতিলিপি (Copy) তলব কৰা।

(ঙ) কোনো গোচৰত সাক্ষ্য গ্ৰহণ কৰিবলৈ আয়োগে কৰ্তৃত্ব প্ৰদান কৰা।

- আয়োগৰ তদন্তত যদি আৰক্ষীয়ে গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ কৰা বুলি প্ৰমাণিত নহয় বৰঞ্চ অভিযোগ অসৎ উদ্দেশ্যপ্ৰণোদিত হিচাবে প্ৰমাণিত হয়; তেনে ক্ষেত্ৰত আয়োগে সংশ্লিষ্ট অভিযোগকাৰীক উচিত জৰিমণা বিহিব পাৰে।

- তদন্তৰ অন্তত যদি কোনো আৰক্ষীৰ বিৰুদ্ধে "গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ" (Serious Misconduct) বা "নিয়ম বহিৰ্ভূত আচৰণ"(Misconduct) প্ৰমাণিত হয়; তেন্তে অসম আৰক্ষী আইন ২০০৭ ৰ ৮২ ধাৰা মতে আয়োগে তেনে আৰক্ষী বিষয়াৰ বিৰুদ্ধে (ক) এজাহাৰ (FIR) পঞ্জীয়ণ কৰিবলৈ অথবা অতিৰিক্তভাৱে (খ) বিভাগীয় ব্যৱস্থা (Departmental Proceding-DP) আৰম্ভ কৰিবলৈ নিৰ্দেশ জাৰি কৰিব পাৰে।

- আয়োগে জাৰি কৰা নিৰ্দেশনাসমূহৰ কাৰ্য্যকৰীকৰণৰ অগ্ৰগতিৰ খতিয়ান পৰীক্ষা কৰিব পাৰে।

## আৰক্ষী দায়বদ্ধতা আয়োগে জাৰি কৰা নিৰ্দেশনা কাৰ্য্যকৰীকৰণ বাধ্যতামূলকনে?

অসম আৰক্ষী আইন,২০০৭ ৰ ৮২ নং ধাৰাৰ বিধি অনুযায়ী আয়োগে জাৰি কৰা নিৰ্দেশনা ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান আৰু চৰকাৰে কাৰ্য্যকৰী কৰাটো বাধ্যতামূলক।

## অভিযোগকাৰীৰ অধিকাৰ —

(ক) অসম আৰক্ষী আইন ২০০৭ ৰ ৮৮ ধাৰাত অভিযোগকাৰীৰ অধিকাৰ সন্নিৱিষ্ট হৈছে।

আৰক্ষীৰ বিৰুদ্ধে থকা অভিযোগ অন্য কোনো আদালতত বা আয়োগত বিচাৰাধীন হৈ থাকিলে তেনে অভিযোগ আয়োগে গ্ৰহণ কৰিব নোৱাৰে।

(খ) যদি অভিযোগৰ বিষয়ে আৰক্ষী কৰ্তৃপক্ষক অৱগত কৰা হৈছে আৰু বিভাগীয় তদন্ত চলি আছে আৰু গোচৰ নিষ্পত্তি হোৱা নাই, তেনে অৱস্থাত অভিযোগকাৰীয়ে আয়োগৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।

অভিযোগকাৰীয়ে দিয়া অভিযোগ সম্পৰ্কত তদন্ত চলি থকা অৱস্থাত তদন্তৰ অগ্ৰগতি সম্পৰ্কে অভিযোগকাৰীয়ে জনাটো অভিযোগকাৰীৰ ন্যায্য অধিকাৰ।

তদন্ত প্ৰক্ৰিয়াত অভিযোগকাৰী উপস্থিত থাকিব পাৰে আৰু তদন্তৰ চূড়ান্ত সিদ্ধান্তৰ প্ৰতি অসন্তুষ্ট হ'লে তেওঁ আয়োগ অথবা উপযুক্ত কৰ্তৃপক্ষৰ ওচৰ চাপিব পাৰে।

## জিলা আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণ (District Police Accountability Authority) —

অসম আৰক্ষী আইন,২০০৭ ৰ ৮৪ ধাৰা অনুযায়ী ৰাজ্যৰ প্ৰতিখন জিলাত বা প্ৰতিটো আৰক্ষী সংমণ্ডলত আৰক্ষী দায়বদ্ধতা প্ৰাধিকৰণ গঠনৰ ব্যৱস্থা আছে। এই প্ৰাধিকৰণেও আৰক্ষীৰ বিৰুদ্ধে অভিযোগ গ্ৰহণ কৰি অসম আৰক্ষী আইন,২০০৭ ৰ ৮৫ ধাৰা মতে প্ৰতিখন জিলাত বা প্ৰতিটো আৰক্ষী সংমণ্ডলত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। অৱশ্যে এতিয়ালৈকে এনে প্ৰাধিকৰণসমূহ গঠন কৰা হোৱা নাই।

এনে পৰিপ্ৰেক্ষিতত সকলোধৰণৰ অভিযোগ আয়োগে পোনপটীয়াকৈ গ্ৰহণ কৰিব পাৰে আৰু কৰি আছে।

জনহিতাৰ্থে ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ, অসমৰ হৈ আয়োগৰ সচিব শ্ৰী দেব কুমাৰ নাথৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

অসম আৰক্ষী আইন, ২০০৭

# ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ, অসম

**চমুকৈ**

**আয়োগৰ কৰণীয় আৰু আপোনাৰ অধিকাৰসমূহ**

## ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ, অসম

অসম আৰক্ষী আইন, ২০০৭ অনুযায়ী **ৰাজ্যিক আৰক্ষী দায়বদ্ধতা আয়োগ,** অসম গঠিত হৈছে। আৰক্ষীৰ কাম-কাজ আইন অনুযায়ী হৈছেনে নাই সেয়া চকু ৰখা আৰু নীতিগতভাৱে প্ৰয়োজনীয় কৰ্তৃত্ব খটুৱাই আৰক্ষীক দায়বদ্ধ কৰি তোলাটোৱেই এই আয়োগৰ উদ্দেশ্য। আৰক্ষী দায়বদ্ধতা আয়োগৰ অনুশাসনমূলক ব্যৱস্থাৰ বিষয়ে বিশদভাৱে অসম আৰক্ষী আইন, ২০০৭ ৰ ৮ম অধ্যায়ত সন্নিৱিষ্ট হৈ আছে। আয়োগৰ অধ্যক্ষ উচ্চ ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশ।

### ■ আৰক্ষী দায়বদ্ধতা আয়োগে কেনে ধৰণৰ অভিযোগ তদন্তৰ বাবে গ্ৰহণ কৰে?

অসম আৰক্ষী আইন, ২০০৭ ৰ অধীনৰ ৭৮ নং ধাৰা অনুযায়ী আৰক্ষী যদি "গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ" (Serious Misconduct)ত লিপ্ত হয় তেতিয়া আয়োগে অনুসন্ধান কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

আকৌ যদিহে আৰক্ষীয়ে আইন অনুযায়ী কাৰ্য্যব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত অৱহেলা কৰে আৰু জনসাধাৰণে বিধিসন্মত ন্যায় পোৱাত বাধা হৈ পৰে তেন্তে তেনেধৰণৰ "নিয়ম বহিৰ্ভূত আচৰণ"(Misconduct)ৰ ক্ষেত্ৰতো আৰক্ষীৰ বিৰুদ্ধে কোনো লোকে অভিযোগ দাখিল কৰিলে আয়োগে সংশ্লিষ্ট আৰক্ষীৰ বিৰুদ্ধে অনুসন্ধান কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে।

### ■ গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ (Serious Misconduct) নো কি?

অসম আৰক্ষী আইন, ২০০৭ ৰ ৭৮(১) নং ধাৰাৰ ব্যাখ্যা অনুযায়ী আৰক্ষীৰ দ্বাৰা সংঘটিত তলত উল্লেখ কৰা যিকোনো কাৰ্য্য বা নিষ্ক্ৰিয়তা গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ হিচাপে পৰিগণিত হয়।

(১) আৰক্ষীৰ জিম্মাত হোৱা মৃত্যু।

(২) ১৮৬০ চনৰ ভাৰতীয় দণ্ডবিধি আইনৰ ৩২০ ধাৰাৰ পৰিভাষামতে বিবেচিত গুৰুতৰ আঘাত(grievious hurt)।

(৩) শ্লীলতা হানি, ধৰ্ষণ বা ধৰ্ষণৰ প্ৰচেষ্টা কৰা।

(৪) অবৈধভাৱে গ্ৰেপ্তাৰ বা কৰায়ত্ত কৰি ৰখা।

(৫) কোনো লোকক তেওঁৰ সম্পত্তিৰ আইনগত মালিকীস্বত্ব বা দখলাধিকাৰৰ পৰা বলপূৰ্বক বঞ্চিত কৰা।

(৬) ভীতিগ্ৰস্ত কৰি অনৈতিক সুবিধা বা ধন আদায় কৰা বা বলপূৰ্বক ধন দাবী কৰা।

(৭) এজাহাৰ (FIR) পঞ্জীয়ন নকৰা।

### ■ নিয়ম বহিৰ্ভূত আচৰণ (Misconduct) মানে কি?

যদি আৰক্ষীয়ে ইচ্ছাকৃতভাৱে আইনগত ব্যৱস্থা গ্ৰহণ নকৰি কোনো লোকক প্ৰাপ্য আৰু ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰে ("গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণ"ক বাদ দি) তেনে কাৰ্য্য আৰক্ষীৰ নিয়ম বহিৰ্ভূত আচৰণ (Misconduct)ৰ আওতাত পৰিব।

### ■ আৰক্ষীৰ বিৰুদ্ধে কোনে, কেনেকৈ আৰু ক'ত অভিযোগ দিব পাৰে?

আৰক্ষী দায়বদ্ধতা আয়োগে তলত উল্লেখ কৰা যিকোনো এটা উৎসৰ পৰা পোৱা অভিযোগ মৰ্মে অনুসন্ধান কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশনা জাৰি কৰে ঃ

(ক) ভুক্তভোগী নাইবা তেখেতৰ হৈ যিকোনো লোকে দিয়া অভিযোগ।

(খ) ৰাষ্ট্ৰীয় বা ৰাজ্যিক মানৱাধিকাৰ আয়োগৰ পৰা পোৱা অভিযোগ।

(গ) আৰক্ষীৰ পৰা প্ৰাপ্ত অভিযোগ।

(ঘ) অন্যান্য উৎসৰ পৰা প্ৰাপ্ত অভিযোগ।

অভিযোগকাৰীয়ে তেওঁৰ অভিযোগ ডাকযোগে বা ই-মেইল যোগে বা ব্যক্তিগতভাৱে আয়োগৰ কাৰ্যালয়ৰ তলত উল্লেখ কৰা ঠিকনাত দাখিল কৰিব পাৰে।

**আৰক্ষী দায়বদ্ধতা আয়োগৰ কাৰ্যালয়ৰ ঠিকনা ঃ-**

ঘৰ নং - ৯৫, ড° বাণীকান্ত কাকতি পথ,

ডাকঘৰ - উলুবাৰী, গুৱাহাটী, জিলা কামৰূপ (মহানগৰ)

পিন ঃ ৭৮১০০৭

দূৰভাষ/ফেক্স ঃ ০৩৬১-২৪৬২৪০৭

ই-মেইল ঃ *aspolacct@gmail.com*

### ■ কেনেদৰে অভিযোগ দাখিল কৰিব পাৰি -

- উকা কাগজত অভিযোগৰ বৰ্ণনা সঠিকভাৱে লিখিব।
- যাৰ বিৰুদ্ধে অভিযোগ আছে তেওঁৰ ঠিকনা আৰু পদবী যদি জ্ঞাত তাকো উল্লেখ কৰিব । অভিযোগ পত্ৰত নিজৰ নাম, চহী, যোগাযোগৰ সম্পূৰ্ণ ঠিকনা, সাক্ষীবাদীৰ নাম আৰু ঠিকনাৰ লগতে অন্যান্য কোনো প্ৰমাণ থাকিলে সেয়াও উল্লেখ কৰিব।
- অভিযোগ পত্ৰ অসমীয়া, হিন্দী, ইংৰাজী বা অসম চৰকাৰী ভাষা আইন ১৯৬০ ৰ দ্বাৰা স্বীকৃত ভাষাত দাখিল কৰিব পাৰিব।
- অভিযোগ আৰক্ষী দায়বদ্ধতা আয়োগৰ অধ্যক্ষ অথবা সচিবক উদ্দেশ্য কৰি দিব পাৰে।
- অভিযোগ পত্ৰৰ লগত শপতনামা দাখিল কৰিব।
- আৰক্ষীয়ে কৰা গুৰুতৰ নিয়ম বহিৰ্ভূত আচৰণৰ অভিযোগ/তথ্য আয়োগৰ দৃষ্টিগোচৰ হ'লে আয়োগেও নিজাববীয়াকৈয়ো (Suo moto) গোচৰ পঞ্জীয়ন কৰি অনুসন্ধান চলাই নিৰ্দেশনা জাৰি কৰিব পাৰে।